**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 23-10-2026**
**Time : 19-10 Hrs**

## ASSAMESE EVENING BULLETIN

১। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া প্ৰয়াসৰ বাবে চত্তিশগড় মাওবাদীৰ কাৰ্যকলাপৰ পৰা মুক্ত হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি বকোত আজাৰবাইজানৰ ৰাষ্ট্ৰপতি ইলহাম আলিয়েভক সাক্ষাৎ কৰি আঞ্চলিক আৰু গোলকীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত সেনা বাহিনীৰ সেনাধ্যক্ষসকলৰ সন্মিলনত অংশ লয়।

৪। ২০২৫ বৰ্ষৰ অসম বৈভৱ আৰু অসম সৌৰভ বঁটাসমূহ ঘোষণা কৰা হৈছে। *আৰু*

৫। জাপানৰ আইচি নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰা গেমছৰ আজি পঞ্চম দিনা ভাৰতে ৭ টা সোণ সহ মুঠ ২০টা পদক অৰ্জন কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া প্ৰয়াসৰ বাবে চত্তিশগড় সম্পূৰ্ণৰূপে মাওবাদীৰ কাৰ্যকলাপৰ পৰা মুক্ত হৈছে আৰু মাওবাদীসকল মূল সুঁতিলৈ উভতি অহাৰ পাছত ৰাজ্যখন বৰ্তমান বিকাশৰ দিশলৈ গতি কৰিছে। জগদলপুৰৰ লালবাগ ময়দানত আয়োজিত বস্তৰ দশেৰা উৎসৱ ২০২৬ত অংশ লৈ শ্ৰীমতী মুৰ্মুৱে জনজাতি সম্প্ৰদায়ৰ যুৱ প্ৰজন্মৰ প্ৰতি আস্থা প্ৰকাশ কৰি কয়, যে দেশৰ বিকাশৰ যাত্ৰাত তেওঁলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি উন্নত দেশ হিচাপে অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছে।

বাইট-ৰাষ্ট্ৰপতি

ৰাষ্ট্ৰপতিগৰাকীয়ে জনজাতি উদ্যোগিসকললৈ বিত্তীয় সা-সুবিধা প্ৰদানৰ প্ৰয়াসক প্ৰশংসা কৰি কয়, যে ইয়াৰ ফলত তেওঁলোক বজাৰৰ সৈতে সংযুক্ত হৈছে। তেওঁ কয় যে এই প্ৰয়াসৰ ফলত ২০৪৭ চনৰ বিকশিত লক্ষ্যৰ সাফল্য অৰ্জন কৰিব পৰা যাব। শ্ৰীমতী মুৰ্মুৱে অঞ্চলটোৰ বনাঞ্চল আৰু পাহাৰৰ সংৰক্ষণৰ বাবে জনসাধাৰণৰ প্ৰতি আহ্বান জনাই কয়, যে জীৱনৰ বাবে এই প্ৰাকৃতিক সম্পদসমূহে আমাক খাদ্য, পানী আৰু অন্যান্য প্ৰয়োজনীয় উপাদান আগবঢ়াইছে। তেওঁ প্ৰকৃতি সংৰক্ষণৰ প্ৰতি প্ৰতিটো সম্প্ৰদায়ৰে প্ৰাথমিক দায়বদ্ধতা হোৱা উচিত বুলি উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে বস্তৰ দশেৰা উৎসৱে অঞ্চলটোৰ জনজাতি সম্প্ৰদায়সমূহক একত্ৰিত কৰিছে। তেওঁ কয়, যে পৰম্পৰাগত মুৰিয়া দৰবাৰে গণতান্ত্ৰিক প্ৰমূল্যসমূহক প্ৰতিফলিত কৰে য'ত জনসাধাৰণে তেওঁলোকৰ নেতাসকলক বিভিন্ন বিষয় অৱগত কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চত্তিশগড়লৈ যোৱা শ্ৰীমতী মুৰ্মুৱে বস্তৰ দশেৰা উৎসৱৰ প্ৰদৰ্শনীৰ বিভিন্ন বিপনী পৰিদৰ্শন কৰাৰ লগতে স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা আৰু মুখ্যমন্ত্ৰী বিষ্ণু দেও সাই উপস্থিত থাকে।

ইয়াৰ পূৰ্বে শ্ৰীমতী মুৰ্মুৱে জগদলপুৰ মা দান্তেশ্বৰী মন্দিৰত পূজা অৰ্চনা আগবঢ়ায়। শ্ৰীমতী মুৰ্মুৱে দেশৰ নাগৰিকসকলৰ সমৃদ্ধি, সুখ আৰু সু-স্বাস্থ্যৰ বাবে মা দান্তেশ্বৰীৰ চৰণত প্ৰাৰ্থনা জনায়। ৰাষ্ট্ৰপতিগৰাকীৰ মা দান্তেশ্বৰী মন্দিৰ দৰ্শন সমগ্ৰ ৰাজ্যখনৰ বাবে বিশেষকৈ বাস্তাৰৰ বাবে অতি গৌৰৱৰ বিষয় বুলি মুখ্যমন্ত্ৰী দেওচাইয়ে উল্লেখ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি বকোত আজাৰ বাইজানৰ ৰাষ্ট্ৰপতি ইলহাম আলিয়েভক সাক্ষাৎ কৰে আৰু আঞ্চলিক আৰু গোলকীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰে। ড০ জয়শংকৰে কয় যে ভাৰত আৰু আজাৰবাইজান দুয়োখনেই স্বাধীন মনোভাৱৰ ৰাষ্ট্ৰ আৰু তেওঁলোকে গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত নিজৰ মত প্ৰকাশ কৰে। তেওঁ কয় যে দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশসমূহৰ বাবে তেওঁলোকে আলোচনা কৰে। ড০ জয়শংকৰে কয় যে ভাৰত আৰু

আজাৰবাইজানৰ সংস্কৃতি আৰু জনসাধাৰণৰ লগত জনসাধাৰণৰ সম্পৰ্ক দীৰ্ঘদিনৰ পৰাই অব্যাহত আছে। তেওঁ লগতে কয় যে দুয়োখন দেশে দেশ দুখনৰ প্ৰমূল্য সমূহক সন্মান কৰে আৰু সমসাময়িক অংশীদাৰিত্বৰ বাবে এটা বুনিয়াদ গঢ়ি তুলিছে।

বাইট-জয়শংকৰ

ড০ জশংকৰে আজাৰবাইজানৰ বৈদেশিক মন্ত্ৰী জেইহুন বেইৰমভক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্বন্ধ বৃদ্ধিৰ বাবে সবিশেষ আলোচনা কৰে। তেওঁলোকে বিশেষকৈ বাণিজ্য, বিনিয়োগ আৰু শক্তিৰ ক্ষেত্ৰত দ্বিপাক্ষিক অৰ্থনৈতিক সহযোগিতা সন্দৰ্ভত আলোচনা কৰে। তেওঁ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত ভৱিষ্যতে এটা ভাল সম্ভাৱনাৰ কথা উল্লেখ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত সেনা বাহিনীৰ সেনাধ্যক্ষসকলৰ সন্মিলনত অংশ লয়। বুধবাৰৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই সন্মিলনত সেনা বাহিনীৰ শীৰ্ষ নেতাসকলে বৰ্তমান সময়ত উদ্ভৱ হোৱা সুৰক্ষা পৰিস্থিতি, সামৰিক প্ৰস্তুতি, সামৰ্থ বৃদ্ধি আৰু বাহিনীৰ আধুনিকীকৰণ সন্দৰ্ভত আলোচনা কৰে। এই কাৰ্যসূচীত উপস্থিত থাকি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে ভূপৃষ্ঠৰ যুদ্ধৰ মতবাদ মুকলি কৰে। এই মতবাদে ভৱিষ্যতৰ সংঘাত আৰু উদ্ভৱ হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ প্ৰস্তুতিৰ বাবে পৰিকাথামোৰ সুবিধা প্ৰদান কৰিব। শ্ৰীসিঙে লগতে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানত উল্লেখযোগ্য সেৱা আগবঢ়োৱাৰ বাবে সেনা বাহিনীৰ ৩ গৰাকী বিষয়াক সম্বৰ্ধনা জনায়। এই সন্মিলনে সেনা বাহিনীৰ শীৰ্ষ নেতৃত্বক ভাৰতীয় সেনা বাহিনীৰ ভৱিষ্যতৰ প্ৰস্তুতি আৰু প্ৰযুক্তিগতভাৱে সক্ষম কৰি তোলাৰ বাবে বৰ্তমানৰ পদক্ষেপসমূহৰ পৰ্যালোচনা কৰি এটা উপযুক্ত নীতি গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰে।

০০০০০

২০২৫ বৰ্ষৰ অসম বৈভৱ আৰু অসম সৌৰভ বঁটাসমূহ ঘোষণা কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে ঘোষণা কৰে। এই অনুসৰি ডাঃ হৰ্ষ ভট্টাচাৰ্যলৈ ২০২৫ বৰ্ষৰ অসম বৈভৱ বঁটা আগবঢ়োৱা হৈছে। একেদৰে সংগীত শিল্পী পুলক বেনাৰ্জী, পৰিৱেশবিদ পূৰ্ণিমা দেৱী বৰ্মন, হস্তি চিকিৎসক ডাঃ কুশল কোঁৱৰ শৰ্মা আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ অসম সৌৰভ বঁটা আগবঢ়োৱা হৈছে। ফুটবল খেলুৱৈ হলিচৰণ নাৰ্জাৰীকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিলৈ ২০২৫ বৰ্ষৰ অসম গৌৰৱ বঁটা আগবঢ়োৱা হৈছে।

এইবাৰ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ স্মৃতিত সংগীত শিল্পী উষা মংগেশকাৰলৈ বিশেষ বঁটা আগবঢ়োৱা হৈছে। তিনি বছৰৰ মূৰে মূৰে প্ৰদান কৰিবলগীয়া এই বঁটাত ১০ লাখ টকা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত এই বঁটা প্ৰদান কৰিব। মন্ত্ৰীসভাৰ বৈঠকত শংকৰদেৱ বঁটাৰ ধনৰাশিৰ পৰিমাণ ১৫ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হয়।

০০০০০

কেন্দ্ৰীয় খাদ্য আৰু প্ৰসংস্কৰণ উদ্যোগ দপ্তৰৰ মন্ত্ৰী চিৰাগ পাছোৱানে দেশৰ ধান উৎপাদনৰ ক্ষেত্ৰত প্ৰযুক্তিগত উদ্ভাৱন, গৱেষণা আৰু মূল্য সংযোজিত কৰাৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত ভাৰত আন্তঃৰাষ্ট্ৰীয় ধান সন্মিলনত অংশগ্ৰহণ কৰি তেওঁ কয়, যে গোলকীয় বজাৰৰ স্থান সুদৃঢ় কৰাৰ বাবে ধানৰ উৎপাদন আৰু মান বৃদ্ধি কৰিব লাগিব। তেওঁ কয় যে ধান খণ্ডৰ পূৰ্ণ সম্ভাৱনালৈ চাই ভাৰতে ধানৰ উৎপাদন অধিক বৃদ্ধি কৰাৰ লগতে বহনক্ষমতা আৰু প্ৰসংস্কৰণো বৃদ্ধি কৰিব লাগিব। শ্ৰীপাছোৱানে লগতে উল্লেখ কৰে যে গোলকীয় পৰ্যায়ত ভাৰতে প্ৰায় ৪০ শতাংশ ধানৰ ব্যৱসায় কৰে আৰু আন দেশলৈ ৰপ্তানীৰ বাবে ইয়াৰ মান অধিক বৃদ্ধি কৰিব লাগিব। লগতে গৱেষণা আৰু প্ৰযুক্তিৰ বিনিময়ো কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০৪৭ চনত বিকশিত ভাৰতৰ অভিলাসী লক্ষ্যত উপনীত হোৱাৰ বাবে খাদ্য প্ৰসংস্কৰণে এটা বৃহৎ ভূমিকা পালন কৰে। শ্ৰীপাছোৱানে কয়, যে ৩ দিনীয়াকৈ আয়োজিত এই সন্মিলনে কৃষক, ৰপ্তানীকাৰী, ঔদ্যোগিক প্ৰতিনিধি আৰু গৱেষকসকলক ধান খণ্ডৰ বিভিন্ন দিশ আলোচনাৰ বাবে একত্ৰিত কৰিব। তেওঁ কয় যে উদ্যোগটোৰ বিকাশ সাধনৰ বাবে এই সন্মিলনে বিশেষ ভূমিকা পালন কৰিব।

০০০০০

নতুন দিল্লীত অহা ১ আৰু ২ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় নৌ আৰু সামুদ্ৰিক প্ৰদৰ্শনী ২০২৬ অনুষ্ঠিত হ'ব। উন্নয়নশীল দেশসমূহৰ বাবে গৱেষণা আৰু তথ্য ব্যৱস্থাৰ সঞ্চালক প্ৰধান সতীশ শৰ্মাই আজি এইকথা ঘোষণা কৰি কয় যে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যৰ দিশত দেশৰ গুৰুত্বপূৰ্ণ বাণিজ্যিক আৰু প্ৰতিৰক্ষা জাহাজ চলাচল কৰাৰ বাবে সহযোগিতা গঢ়ি তোলা আৰু সাগৰীয় খণ্ডৰ সৰলীকৰণৰ বাবে এই প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে এই প্ৰদৰ্শনীয়ে চিন্তাবিদ, নীতি প্ৰস্তুতকাৰক আৰু উদ্যোগৰ বিশেষজ্ঞসকলৰ মাজত থকা ব্যৱধান হ্ৰাস কৰাৰ লগতে সামগ্ৰী পৰিবহনৰ ব্যয় কম কৰাৰ লগতে ব্যৱসায়ৰ মাত্ৰা বৃদ্ধি কৰিব।

০০০০০

গৃহ মন্ত্ৰালয়ে অসামৰিক প্ৰতিৰক্ষাৰ প্ৰস্তুতি শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে ভাৰতীয় সেনাৰ জৰিয়তে অসামৰিক প্ৰতিৰক্ষা মাষ্টাৰ প্ৰশিক্ষকসকলক বিশেষ প্ৰশিক্ষণ প্ৰদান কৰাৰ এটা প্ৰাৰম্ভিক উদ্যম মুকলি কৰিব। দেশত এটা উন্নত অসামৰিক প্ৰতিৰক্ষা নেটৱৰ্ক গঢ়ি তোলাৰ উদ্দেশ্যে অগ্নিনিৰ্বাপক সেৱা, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালকালয়ে এই প্ৰশিক্ষণ প্ৰদানৰ ব্যবস্থা কৰিব।

মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, প্ৰথম পৰ্যায়ত ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত অসামৰিক প্ৰতিৰক্ষা মাষ্টাৰ প্ৰশিক্ষকসকলৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ হৈছে — অসম, মেঘালয়, ছিকিম, জম্মু - কাশ্মীৰ, পঞ্জাব, ৰাজস্থান, গুজৰাট, দিল্লী, উত্তৰ প্ৰদেশ, কেৰালা, কৰ্ণাটক আৰু তামিলনাডু। মন্ত্ৰালয়ে কৈছে যে প্ৰথম পৰ্যায়ত, প্ৰত্যেক অংশগ্ৰহণকাৰী ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা ৫০ জনকৈ মুঠ ৬০০ জন অসামৰিক প্ৰতিৰক্ষা মাষ্টাৰ প্ৰশিক্ষকক অহা মাহৰ দ্বিতীয় সপ্তাহৰ ভিতৰত প্ৰশিক্ষণ প্ৰদানৰ প্ৰস্তাৱ দিয়া হৈছে।

চলিত বৰ্ষত লাল কিল্লাৰ পৰা দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধুনিক ব্যৱস্থা, প্ৰযুক্তি আৰু সমসাময়িক প্ৰস্তুতিৰ ক্ষমতাৰে সজ্জিত এক উন্নত অসামৰিক প্ৰতিৰক্ষা নেটৱৰ্ক গঢ়ি তোলাৰ দৃষ্টিভংগীৰ কথা ঘোষণা কৰিছিল। এই প্ৰশিক্ষণে - ভাবুকিৰ প্ৰতি সচেতনতা, সুৰক্ষা আৰু জৰুৰীকালীন সঁহাৰি তথা যোগাযোগ আৰু সমন্বয় - এই তিনিটা মূল ক্ষেত্ৰ সামৰি ল'ব ।

০০০০০

জাপানৰ আইচি নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰা গেমছৰ আজি পঞ্চম দিনা ভাৰতীয় খেলুৱৈয়ে দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰি ৭ টা সোণ সহ মুঠ ২০টা পদক অৰ্জন কৰিছে। ভাৰতে আজি ৮টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক জয় কৰে। এই প্ৰদৰ্শনৰ জৰিয়তে ভাৰতৰ মুঠ পদকৰ সংখ্যা ১০৮ লৈ বৃদ্ধি হয়। প্ৰতিযোগিতাখনত ভাৰতে পঞ্চম দিনালৈ ২৮ টা সোণ, ৩৪ টা ৰূপ আৰু ৪৬ টা ব্ৰঞ্জৰ পদক জয় কৰে। আজি বেডমিণ্টনৰ পুৰুষৰ একক শাখাত নীতেশ কুমাৰে সোণৰ পদক লাভ কৰে। বেডমিণ্টনৰ মহিলাৰ দ্বৈত শাখাত ভাৰতৰ টি মুৰুগেছন আৰু মানসী গিৰিশচন্দ্ৰা যোশীয়ে সোণৰ পদক দখল কৰে। সেইদৰে, শ্যুটিঙৰ মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰি ইভেণ্টত মনা আগৰৱাল আৰু পুৰুষৰ ৪০০ মিটাৰ দৌৰত সন্দীপ কুমাৰে ভাৰতক সোণৰ পদক উপহাৰ দিয়ে।

০০০০০

সমাপ্ত